# Telephone Conversation between PM and Prime Minister of Ireland

April 22, 2020

## আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 22, 2020

আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰী মাহামহিম ড. লিঅ বাৰাডকাৰৰ সৈতে আজি হোৱা টেলিফোনিক বাৰ্তালাপত প্ৰধানমন্ত্ৰীয়ে ক'ভিড-19 মহামাৰীৰ পৰিস্থিতি আৰু স্বাস্থ্য আৰু অৰ্থনীতিৰ প্ৰভাৱক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত উভয় দেশে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে।

ভাৰতীয় বংশোদ্ভৱ চিকিত্সক আৰু নাৰ্চসকলে আয়াৰলেণ্ডত এই সংক্ৰমণৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ প্ৰধানমন্ত্ৰী বাৰাডকাৰে প্ৰশংসা কৰে। আয়াৰলেণ্ডত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা যত্ন আৰু সহায়ৰ বাবে প্ৰধানমন্ত্ৰীয়ে আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰী বাৰাডকাৰক ধন্যবাদ জ্ঞাপন কৰে, আৰু ভাৰতত থকা আইৰিছ নাগৰিকসকলৰ প্ৰতিও একেধৰণৰ সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

মহামাৰীৰ বিৰুদ্ধে এই বৈশ্বিক যুঁজত ঔষধ আৰু চিকিত্সাৰ ক্ষেত্ৰত সক্ষমতা বৃদ্ধিৰে ভাৰত আৰু আয়াৰলেণ্ডে বৰঙণি আগবঢ়োৱাৰ ক্ষেত্ৰত দুয়োগৰাকী নেতাই সহমত পোষণ কৰে। ক'ভিড-19ৰ পৰৱৰ্তী সময়ছোৱাত আয়াৰলেণ্ড আৰু ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সহযোগিতা মজবুত কৰাৰ সম্ভাৱনাক লৈ আশা প্ৰকাশ কৰে।

সংকটৰ এই সময়ছোৱাত দুয়োগৰাকী নেতাই পৰস্পৰৰ মাজত যোগাযোগ ৰখাৰ কথাত সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 22, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.